بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ৰাজিয়া অভিযানৰ সৈতে সম্পৰ্কিত আঁহজৰত (ছাঃ)ৰ জীৱনাদৰ্শ আৰু চাহাবা সকলৰ প্ৰেম আৰু আনুগত্য আৰু কোৰবাণী সম্পৰ্কে ঈমান বৰ্দ্ধক বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ মে ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যোৱা জুমাৰ খোতবাৰ পৰা ৰাজিয়া অভিযান সম্পৰ্কে বৰ্ণনা কৰিবলৈ লোৱা হৈছে। এই অভিযানৰ বিষয়ে হাদীছ আৰু ইছলামী ইতিহাসত যিবোৰ বৰ্ণনাৰ উল্লেখ আছে, সেই বিলাক বৰ্ণনা এনেদৰে আছে। যেনে ছহী বুখাৰীত ৰাজিয়াৰ ঘটনা সম্পৰ্কে লিখা আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে দহজন লোকক অভিযান আকাৰে পৰিস্থিতিৰ বুজ ল'বলৈ পঠাই দিছিল আৰু হজৰত আছিম বিন ছাবিত (ৰাঃ)ক দলটোৰ আমিৰ নিযুক্ত কৰি পঠাইছিল। এই দলটোৱে গৈ মুছলমান সকলৰ ঘোৰ বিৰোধী কবিলা বনু লিহানৰ দুশ তীৰ বাজ বাহিনীৰ মুখামুখি হয়। তাতে মুছলমান সকলে শত্ৰু বাহিনীক দেখি এটা টিলাৰ ওপৰত আশ্ৰয় লয়। চতুৰালিৰে শত্ৰু পক্ষই এওঁলোকক আশ্ৰয় দিয়াৰ আৰু হত্যা নকৰাৰ আশ্বাস দিয়ে। দলৰ আমিৰ হজৰত আছিম বিন ছাবিত আনছাৰী (ৰাঃ)য়ে কৈছিল যে যিমান দুৰ মই জানো মই কোনো কাফিৰৰ কথাত পতিয়ন নাযাওঁ আৰু সিহঁতৰ আশ্ৰয়ৰ বাবে নামি নাযাও। ইয়াৰ পিছত সকলোৱে মিলি দোৱা কৰে যে হে খোদা আমাৰ এই পৰিস্থিতিৰ কথা আমাৰ নবী (ছাঃ)ক জনাই দিয়া। ইয়াৰ পিছত সেই কাফিৰ সকলে তীৰ চলাবলৈ আৰম্ভ কৰে আৰু হজৰত আছিম (ৰাঃ)ৰ লগতে সাতজন চাহাবা শ্বহীদ হৈ যায়।

বাকী তিনিজন কাফিৰ সকলৰ কথা মতে তললৈ নামি আহে। শত্ৰু সকলে ইহঁতক বন্দী বনাই লয়। সেই

তিনিও জনৰ মাজৰ পৰা এজন চাহাবী হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ)য়ে কৈছিল এয়া তোমালোকৰ প্ৰতিশ্ৰুতি ভঙ্গৰ প্ৰথম খোজ খোদাৰ খছম মই তোমালোকৰ লগত নাযাওঁ। কিন্তু কাফিৰ সকলে তেখেতক যাবলৈ বৰকৈ জোৰ দিছিল যদিও তেখেত (ৰাঃ)য়ে যাবলৈ মান্তি হোৱা নাছিল, যাৰ ফলত কাফিৰ সকলে তেখেতক শ্বহীদ কৰি পেলায়। দুজন চাহাবী হজৰত খাবিব (ৰাঃ) আৰু হজৰত জায়েদ বিন ৰাছামা (ৰাঃ)ক কাফিৰ সকলে লৈ আনি মক্কাত বিক্ৰি কৰি দিছিল। হজৰত খাবিব (ৰাঃ)ক বনু হাৰিছ বিন আমৰ বিন নওফিল বিন আবদে মান্নাফে কিনি নিছিল, যদিও বোখাৰী চৰিফৰ ৰিৱায়ত অনুযায়ী দহজন চাহাবাৰ এই দলটো গুপ্তচৰ হিচাপে গৈছিল আৰু লুকাই লুকাই বাট অতিক্ৰম কৰি আছিল, ইয়াছৰিবৰ খেজুৰৰ গুটি চিনি পাই এজনী মহিলাই চিঞৰ-বাখৰ কৰাত শত্ৰু পক্ষই আহি এওঁলোকৰ ওপৰত আক্ৰমণ চলায়। কিন্তু বেছি ভাগ জীৱনী সম্পৰ্কে গম ল'বলৈ সাজু হৈছিল মাত্ৰ, যোৱা নাছিল, এনেতে আহি থকা অভিযানকাৰী দলৰ লগত আঁহজৰত (ছাঃ)য়ে এই দলটোক পঠিয়াই দিছিল।

এই সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে আৰু হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে বিভিন্ন ইছলামী ঐতিহাসিক কিতাপ সমূহৰ পৰা বুটলি আনি বৰ্ণনা কৰিছে যে বোখাৰী আৰু অন্যান্য জীৱনী মূলক কিতাপ সমূহত এই দলটোৰ লুকাই লুকাই ভ্ৰমণ কৰাৰ যি বৰ্ণনা কৰিছে, সেয়া লিখক সকলে ভুল বুলি ধাৰণা কৰে কাৰণ তেতিয়া এই দলটোৱে আত্মগোপন কৰি চলাৰ কোনো প্ৰয়োজনেই নাছিল বৰং সিহঁতে তেতিয়া আজল আৰু কাৰা কবিলাৰ লোকৰ লগত গৈ আছিল। হয় এয়া নিশ্চিত ভাৱে ঠাৱৰ কৰিব পৰা যায় যে যেতিয়া এওঁলোকে গৈ কাৰা কবিলাৰ লোক সকলে ষড়যন্ত্ৰ কৰি আগৰ পৰিকল্পনা অনুযায়ী বনু লিহানৰ লোক সকলক খবৰ দিয়ে। তেতিয়া বনু লিহানৰ দুশ তীৰ আন্দাজ লোকৰ এটা দলে আহি এই দহজনীয়া দলটোৰ ওপৰত আক্ৰমণ চলায়। বাকী আল্লাহ তা'লা ভালদৰে জানে।

হজৰত আছিম (ৰাঃ)য়ে বীৰদৰ্পে যুঁজি শ্বাহাদত বৰণ কৰাৰও বিতং ব্যাখ্যা পোৱা যায়। প্ৰথমে এখেত (ৰাঃ)য়ে তীৰৰ জৰিয়তে শত্ৰু পক্ষক আগভেটা দিছিল। যেতিয়া নিজৰ তীৰ শেষ হৈ গৈছিল তেতিয়া বল্লমেৰে যুঁজ চলাইছিল। যেতিয়া বল্লম ভাঙি গৈছিল আৰু কেৱল মাত্ৰ তৰোৱাল হাতত আছিল তেতিয়া তৰোৱালেৰে যুঁজিছিল। এনেদৰে যুঁজি যুঁজি এখেত (ৰাঃ)য়ে নিজৰ শ্বাহাদত বৰণ কৰাটো ধাৰণা কৰি লৈছিল। তেতিয়া এখেত (ৰাঃ)য়ে নিজৰ পৰ্দাৰ কথা চিন্তা কৰিছিল কাৰণ কাফিৰ সকলে যাক শ্বহীদ কৰিছিল তাৰ লাচ মোবাৰকৰ ওপৰত অত্যাচাৰ চলাইছিল, অপমান কৰিছিল, লাঞ্ছিত কৰি এৰি থৈছিল। সেয়ে আছিম (ৰাঃ)য়ে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যে হে খোদা ! মই দিনৰ প্ৰথম ভাগত তোমাৰ দ্বীনৰ হিফাজত কৰিলোঁ। গতিকে দিনৰ দ্বিতীয় অংশত তুমি মোৰ পৰ্দাৰ হিফাজত কৰিবা। ইয়াৰ পিছতেই আছিম (ৰাঃ)য়ে শ্বহীদ হৈ গৈছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনা বৰ্ণনা কৰোঁতে লিখিছে যে আঁহজৰত (ছাঃ)য়ে চাৰি হিজৰীৰ চফৰ মাহত নিজৰ দহজন চাহাবীৰ এটা দল গঠিত কৰি হজৰত আছিম বিনছাবিত (ৰাঃ)ক তাৰ আমিৰ বনাই নিৰ্দেশ দিছিল যে গোপনে গুপ্তচৰ হিচাপে মক্কাৰ ওচৰত কুৰাইছ সকলৰ পৰিস্থিতিৰ গম ল'ব লাগে আৰু সেই মতে ৰছুলুল্লাহ (ছাঃ)ক খবৰ দিব লাগে।

হজৰত আছিম (ৰাঃ)য়ে যিহেতু মুশৰিক সকলৰ এজন ডাঙৰ চৰদাৰক বধ কৰিছিল সেয়ে যেতিয়া মক্কাৰ কুৰাইছ সকলে খবৰ পাইছিল যে শ্বহীদ সকলৰ মাজত আছিম বিন ছাবিতও আছে, তেতিয়া সিহঁতে হজৰত

আছিম (ৰাঃ)ৰ মূৰ অথবা শৰীৰৰ কোনো অংগ কাটি নিবলৈ মানুহ পঠিয়াই দিছিল। হজৰত আছিম (ৰাঃ)য়ে যিজন চৰদাৰক হত্যা কৰিছিল তাৰ মাকে এয়া শপত খাইছিল যে মই মোৰ পুত্ৰৰ হত্যাকাৰীৰ লাউখোলাত মদ ঢালি লৈ পান কৰিম। কিন্তু খোদাৰ কৰ্ম এনেকুৰা হ'ল যে যেতিয়া সেই মানুহ কেইজনে হজৰত আছিম (ৰাঃ)ৰ লাচৰ ওচৰত আহি উপস্থিত হৈছিল তেতিয়া দেখিবলৈ পায় যে লাচৰ ওপৰত মৌ মাখিয়ে আৱৰি আছে। সিহঁতে মৌ মাখি বিলাক খেদিবলৈ বহু চেষ্টা কৰে কিন্তু খেদিব নোৱাৰি অৱশেষত খালি হাতে ওভতি যায়। ইয়াৰ ক্ষন্তেক পিছতেই ধুমুহা বৰষুণ ধাৰসাৰে নামি আহি হজৰত আছিম (ৰাঃ)ৰ লাচ কৰবালৈ ভহাই লৈ যায়।

হজৰত আছিম (ৰাঃ)য়ে যেতিয়া মুছলমান হৈছিল তেতিয়া তেখেত এয়া শপত খাইছিল যে ভৱিষ্যতে সকলো মুশৰিক পৰম্পৰাৰ পৰা আঁতৰি থাকিব আৰু কোনো কাফিৰৰ সৈতে হাত মুছাফা নকৰিব। যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে হজৰত আছিম (ৰাঃ)ৰ শ্বাহাদত আৰু এই ঘটনা সম্পৰ্কে অৱগত হৈছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল আল্লাহ তা'লা নিজৰ বান্দাৰ শপত লোৱাৰ ফালে কেনেকুৰা মনোযোগ ৰাখে। আছিমে শপত খাইছিল যে তেওঁ কেতিয়াও কাফিৰৰ সৈতে হাতে হাত নিমিলাব আৰু আল্লাহ তা'লা তাৰ মৃত্যুৰ পিছত তাৰ শপত অটুট ৰাখিলে আৰু কাফিৰ সকলে তাক স্পৰ্শ কৰিব নোৱাৰিলে।

সেই দহজনীয়া দলটোৰ আৰু কেইজন বীৰদৰ্পে যুঁজ দি শ্বহীদ হৈ গৈছিল। অৱশেষত তিনিজন চাহাবী জীয়াই আছিল, তাৰ মাজত আছিল হজৰত খাবিব (ৰাঃ), হজৰত জায়েদ বিন ওৱাছানা (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন তাৰিক (ৰাঃ)। কাফিৰ সকলে প্ৰথমে এই তিনিজন লোকক বচন দিয়ে যে তেওঁলোকক কোনো ধৰণৰ অত্যাচাৰ নকৰিব বা হত্যা নকৰিব। কিন্তু যেতিয়া এখেত তিনিও জনে আত্ম সমৰ্পন কৰিছিল। কাফিৰ সকলে নিজৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰি এওঁলোকক বন্দী বনাই লয়। আব্দুল্লাহ বিন তাৰিক (ৰাঃ)ক শ্বহীদ কৰাৰ পিছত কাফিৰ সকলে মুদ্ৰা লোভত খাবিব (ৰাঃ) আৰু ইবনে ওৱাছানা (ৰাঃ)ক মক্কালৈ লৈ আনি বিক্ৰি কৰি দিয়ে। খাবিব (ৰাঃ)ক হাৰিছ বিন নওফিলৰ ল'ৰাবোৰে কিনি নিছিল কাৰণ হজৰত খাবিব (ৰাঃ)য়ে বদৰৰ যুদ্ধত হাৰিছক বধ কৰিছিল। আনহাতে জায়েদ বিন ওৱাছানা (ৰাঃ)ক ছফুৱান বিন উমিয়াই কিনি নিছিল।

যেতিয়া হজৰত জায়েদ বিন ওৱাছানা (ৰাঃ)ক শ্বহীদ কৰিবলৈ লৈ অনা হৈছিল তেতিয়া আবু ছুফিয়ান বিন হৰবে তেখেত (ৰাঃ)ক কৈছিল হে জায়েদ, মই তোমাক আল্লাহৰ কছম দিছো তুমি এয়া পছন্দ কৰা নেকি যে তোমাৰ সলনি মহম্মদ (ছাঃ) ইয়াতে আমাৰ ওচৰত হওঁক আৰু আমি তোমাৰ সলনি মহম্মদ (ছাঃ)ৰ ডিঙি কাটি পেলাওঁ আৰু তুমি তোমাৰ পৰিয়াল বৰ্গৰ সৈতে থাকা। তেতিয়া হজৰত জায়েদ (ৰাঃ)য়ে কৈছিল আল্লাহৰ কছম ! মই ইখিনিও পছন্দ নকৰো যে মহম্মদ (ছাঃ)য়ে এতিয়া যিখন ঘৰত আছে, তাতে তেখেতৰ গাঁত এটা কাঁইট বিন্ধে আৰু তেখেতক কষ্ট দিয়ে আৰু মই মোৰ পৰিয়াল লৈ সুখেৰে থাকো। এই কথাবোৰ শুনি আবু ছুফিয়ানে কৈছিল যে মই কাকো দেখা নাই যে কোনোবাই কাকো এনেকুৰা ভাল পায় যেনেকৈ মহম্মদ (ছাঃ)ৰ চাহাবা সকলে মহম্মদ (ছাঃ)ক ভাল পায়, ইয়াৰ পিছতেই হজৰত জায়েদ (ৰাঃ)ক শ্বহীদ কৰি দিয়ে।

ইবনে আকু লিখিছে যে খাবিব (ৰাঃ) আৰু জায়েদ (ৰাঃ)ক একেদিনাই শ্বহীদ কৰা হৈছিল। যিদিনাখন এই দুজন চাহাবীক শ্বহীদ কৰা হৈছিল, সেই দিনাখন শুনা গৈছিল যে আঁহজৰত (ছাঃ)য়ে কৈ আছে,

আলায়কুম আচ্ছালাম অর্থাৎ তোমালোক দুজনৰ ওপৰত শান্তি বৰ্ষিত হওঁক।

হজৰত খাবিব (ৰাঃ)ৰ সৈতে হাৰিছৰ ল'ৰা বিলাকে বৰ বেয়া আচৰণ কৰিছিল। হজৰত খাবিব (ৰাঃ)য়ে তেওঁলোকক কৈছিল যে কোনো প্ৰতাপশালী সম্প্ৰদায়ৰ লোকে কেতিয়াও নিজৰ কয়েদী সকলৰ লগত এনে বেয়া ব্যৱহাৰ নেদেখুৱায়। এই কথাখিনিয়ে কাফিৰ সকলৰ মনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। সেয়ে তেওঁলোকে পিছত খাবিব (ৰাঃ)ৰ লগত ভাল আচৰণ কৰিছিল। যেতিয়া হজৰত খাবিব (ৰাঃ)য়ে কয়েদী হৈ আছিল এদিনাখন এটা কেঁচুৱা তেখেতৰ ওচৰত আহে, খাবিবৰ হাতত তেতিয়া এপাট খুৰ আছিল, এখেত (ৰাঃ)য়ে ল'ৰাজনক কোলাত বহাই লৈছিল। এই দৃশ্য চাই ল'ৰাজনৰ মাকে বৰ ভয় খাইছিল যে খাবিবে ল'ৰাজনৰ কিবা ক্ষতি কৰিব পাৰে। হজৰত খাবিব (ৰাঃ)য়ে সেই মহিলাজনীৰ মুখমণ্ডলত ভয়ৰ আঁচ দেখা পাই কৈছিল যে তুমি ভয় পাইছা যে মই এই ল'ৰাজনৰ কিবা ক্ষতি কৰিম নেকি ? খোদাৰ কছম ! মই তেনেকুৱা বিধৰ মানুহ নহয়।

সেই মহিলাজনীয়ে পিছত কৈছিল যে মই কেতিয়াও এনেকুৱা কয়েদী দেখা নাই যে সি খাবিবতকৈ উত্তম হয়। মই এদিন খাবিবৰ হাতত এজোপা আঙুৰৰ থোপ দেখা পাইছিলো, তেতিয়া মক্কাত কোনো ধৰণৰ ফলেই নাছিল। খাবিবে শিকলিবদ্ধ অৱস্থাতে সেই আঙুৰ খাই আছিল। নিশ্চয় এয়া আল্লাহ তা'লাৰ ফালৰ পৰা খাবিবৰ ৰিজিক আছিল, যি আল্লাহ তা'লা তেখেত (ৰাঃ)ক দিছিল।

যেতিয়া কুৰাইছ সকলে হজৰত খাবিব (ৰাঃ)ক শ্বহীদ কৰিবলৈ হাৰাম শ্বৰীফৰ বাহিৰলৈ লৈ গৈছিল তেতিয়া হজৰত খাবিব (ৰাঃ)য়ে দুই ৰাকাত নামাজ পঢ়িবলৈ অনুমতি বিচাৰে। কুৰাইছ সকলে তেখেত (ৰাঃ)ক নামাজ আদায় কৰিবলৈ অনুমতি দিছিল। হজৰত খাবিব (ৰাঃ)য়ে নামাজ পঢ়ি কৈছিল যে মই এয়া ধাৰণা কৰি নামাজ চমুকৈ পঢ়িলো যে তোমালোকে হয়তো ক'ব পাৰা যে ভয়তে মই পলম কৰি আছো। ইয়াৰ পিছত হজৰত খাবিব (ৰাঃ)য়ে খোদা তা'লাৰ দৰবাৰত প্ৰাৰ্থনা কৰিছিল যে হে আল্লাহ তুমি এই শত্ৰু সকলক এজন এজনকৈ ধ্বংস কৰি দিয়া। হজৰত খাবিব (ৰাঃ)য়ে এই কবিতা ফাঁকিও পাঠ কৰিছিল যে মই যিহেতু মুছলমান হোৱা অৱস্থাত মৃত্যু বৰণ কৰি আছো সেয়ে মোৰ কোনো ভ্ৰূক্ষেপ নাই যে কিবা আৰু খোদাৰ ফালে কৰিব লগীয়া আছে। মোৰ মৃত্যু আল্লাহ তা'লাৰ সত্তাৰ বাবেই হৈ আছে সি বিচাৰিলে খণ্ড-বিখণ্ড হোৱা শৰীৰৰ অংগত বৰকত দিব পাৰে। ইয়াৰ পিছত কাফিৰ সকলে হজৰত খাবিব (ৰাঃ)ক বৰ নিৰ্দয় ভাৱে শ্বহীদ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তেখেত সকলে মৃত্যুলৈ কনো ভয় কৰা নাছিল, এয়াই আছিল কোৰবাণী। চাহাবা সকলে ইছলামৰ বাবে নিজৰ প্ৰাণ কোৰবাণী দিবলৈ সদায় সাজু থাকিছিল। এই ছৰিয়া সম্পৰ্কে বৰ্ণনা কৰিবলৈ আৰু বাকী আছে ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِيْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَكَّلُ عَلَيْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ يُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی
وَيَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰہَ يَذْكُرْكُمْ وَادْعُوْہُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰہِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক : শ্বাহজাহান আলি চাহাব মুৰাল্লিম ছিলছিলা